بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ জুলাই মাহৰ ২৭ তাৰিখত মছজিদ বায়তুল ফুতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয়- চাহাবা সকলৰ ইতিহাস বৰ্ণনাৰ ধাৰাবাহিকথাত আজি মই দুজন চাহাবাৰ বিষয়ে উল্লেখ কৰিম। তাৰে প্ৰথম জন হ'ল হজৰত মনজুৰ বিন মহম্মদ আনছাৰী। কবিলা বণু জুহাজবাৰ সৈতে হজৰত মনজুৰ বিন মহম্মদৰ সম্পৰ্ক আছিল। মদিনালৈ অহাৰ পিছত আঁহজৰত (ছাঃ) হজৰত মনজুৰ বিন মহম্মদ আৰু তাফিল বিন হাৰিছৰ মাজত ভাতৃত্ব স্থাপন কৰিছিল। যেতিয়া হজৰত জাবিৰ বিন আবি আউয়াম, হজৰত হাতিব বিন আবি বুলতা আৰু হজৰত আবু ছিৰাহ বিন আবি ৰুহম মক্কাৰ পৰা হজৰত হাতিব হিজৰত কৰি মদিনা আহিছিল, সিহঁতে হজৰত মনজৰৰ ঘৰত অৱস্থান কৰিছিল হজৰত মনজৰ (ৰাঃ) য়ে বদৰ আৰু অহুদৰ যুদ্ধত অংশগ্ৰহন কৰিছিল। হজৰত মনজুৰৰ বীৰে মাউনাৰ সেই হৃদয় বিদাৰক দুৰ্ঘটনাত শ্বাহাদত বৰণ কৰিছিল। বীৰে মাউলাৰ এই ঘটনাটো ঘটিছিল এনেদৰে আঁহজৰত (ছাঃ) য়ে চাৰি হিজৰিৰ ছফৰ মাহত হজৰত মনজুৰ বিন ওমৰ আনছাৰীৰ নেতৃত্বত চাহাবা সকলৰ এটা সত্তৰ জনীয়া ইছলামী শিক্ষা প্ৰদানৰ বাবে পঠিয়াইছিল। এওঁলোকৰ অধিক অংশই আছিল আনছাৰী আৰু সকলোৱে কাৰি আছিল। যেতিয়া এখেত সকলৰ দলটো গৈ বীৰে মাউলাত উপস্থিত হৈছিল তেতিয়া এখেত সকলৰ মাজৰে এজন ব্যক্তি হৰাম বিন মলহান, যিজন আনিছ বিন মালিকৰ মামা আছিল, আঁহজৰত (ছাঃ) ফালৰ পৰা ইছলামলৈ আহ্বানৰ বাৰ্ত্তা লৈ আমাৰ কবিলাৰ নেতা আৰু আবু বৰাআৰ ভতিজা আমাৰ বিন তফিলৰ ওচৰত যায় তেতিয়া বাকী চাহাবা সকল পিছত ৰৈ আছিল। যেতিয়া হৰাম বিন মুলহান আঁহজৰত (ছাঃ) ৰ দুত হিচাপে আমৰ বিন তফিল আৰু তাৰ লগৰীয়া সকলৰ গৈ উপস্থিত হৈছিল, তেওঁলোকে প্ৰথমে প্ৰতাৰণা মুলক আচৰণেৰে বৰ সম্ভাৰ দেখুৱায়, তেতিয়া হৰাম (ৰাঃ) য়ে সেয়া বিশ্বাস কৰি বহে আৰু ইছলামৰ তবলিগ কৰিবলৈ লয়। এনেতে তেওঁলোকৰে কিছুমান চয়তান লোকৰ ইংগিতত এজনে এই নিস্পাপ দুত জনক পিছৰ পৰা বল্লমেৰে আঘাত কৰি শ্বহীদ কৰি দিছিল। শ্বহীদ হৈ যোৱাৰ ক্ষণত হৰাম বিন মুলহানৰ মুখত এই শব্দ আছিল اللہ اکبر فزت ورب الکعبۃ যে আল্লাহ সৰ্বশ্ৰেষ্ট; ৰব্বে কাবাৰ কছম, মই মোৰ আচল উদ্দেশ্যত সফল হৈ গৈছো। আমৰ বিন তফিল আঁহজৰত (ছাঃ) ৰ এই দুত হৰামক নিহত কৰিয়ে ক্ষান্ত হোৱা নাছিল বৰং বণু ছিলম কবিলাৰ বণু ৰিল আৰু জাকুৱান আদি সকলক লগত লৈ বাকী চাহাবা সকলৰ এই সৰু জমাতৰ ওপৰত আক্ৰমন চলাই কেৱল কাআব বিন জায়েদৰ বাহিৰে বাকী সকলোকে তৰোৱালেৰে হত্যা কৰিছিল। চাহাবা সকলৰ এই জমাতৰ পৰা সেই সময়খিতি দুজন লোক অৰ্থাৎ ওমৰ বিন উমিয়া জমিৰ আৰু মজৰ বিন মহম্মদ উট চৰাবলৈ জমাতৰ পৰা পৃথক হৈ ইফালে সিফালে গৈছিল। যেতিয়া ঘুৰি আহি তেওঁলোক দুজনে এই দৃশ্য দেখিছিল তেতিয়া কৈছিল, য'ত আমাৰ আমিৰ মজৰ বিন ওমৰ শ্বহিদ হৈ গৈছে তাত আমিও যুদ্ধ কৰিম। এনেদৰে মজৰ বিন মহম্মদ আৰু ওমৰ বিন উমিয়া জমাৰ যুদ্ধ কৰি শ্বহীদ হৈ গৈছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয়; আন এজন চাহাবী আছিল। হজৰত হাতিব আবি বুলতাহ ইয়ামিনৰ বাসিন্দা আছিল। যেতিয়া হজৰত হাতিব বিন আবি বুলতাহ আৰু তেখেতৰ দাস ছঈদ মক্কাৰ পৰা মদিনালৈ হিজৰত কৰিছিল তেতিয়া দুয়োজনে হজৰত মনজৰ বিন মহম্মদ বিন আকাবিৰ ওচৰত থাকিছিল। হজৰত হাতিব বিন আবি বুলতাহ বদৰৰ যুদ্ধ অহুদ আৰু খন্দকৰ যুদ্ধ লগতে সকলো যুদ্ধতেই ৰছুলে কৰিম (ছাঃ) ৰ লগত যোগ দিছিল। ৰছুলে কৰিম (ছাঃ) য়ে তেখেত (ৰাঃ) ক এখন পত্ৰৰ সৈতে ইস্কান্দ্ৰিয়াৰ বাদছাহ মকোকছৰ ওচৰলৈ পঠাইছিল। হজৰত হাতিব (ৰাঃ) আঁহজৰত (ছাঃ) ৰ ফালৰ এজন ভাল ধ্নুৰ্দ্ধৰ আছিল। এয়াও উল্লেখ আছে যে হজৰত হাতিব বিন আবি বুলতাহ সেই মুৰ্খতাৰ যুগতেই কুৰাইছ সকলৰ এজন ভাল অশ্বাৰোহী আৰু কবিও আছিল। কিছুমানে কৈছে যে হজৰত হাতিব বিন আবি বুলতাহ আব্দুল্লাহ

বিন হামিদৰ দাস আছিল। তেখেতে নিজৰ মালিকৰ সৈতে চুক্তি পত্ৰ লিখি দি স্বাধীন হৈছিল আৰু সেই চুক্তি পত্ৰৰ টকা তেখেত (ৰাঃ) য়ে মক্কা বিজয়ৰ দিনা আদায় দিছিল। হজৰত উম্মে ছালমা বৰ্ণনা কৰিছে যে হজৰত ৰছুলে কৰিম (ছাঃ) য়ে হজৰত হাতিব (ৰাঃ) ক বিয়াৰ প্ৰস্তাৱ দি মোৰ ওচৰলৈ পঠাইছিল। এটা ৰোৱায়েতত উল্লেখ আছে যে হজৰত আনিছ বিন মালিক, হজৰত হাতিব বিন আবি বুলতাহৰ পৰা শুনিছে যে অহুদৰ দিনা নবী (ছাঃ) য়ে নিজৰ তেজেৰে ৰাঙলী হোৱা মুখমণ্ডল ধুই আছিল। এনেতে হাতিব (ৰাঃ) য়ে সুধিছিল যে আপোনাক কোনে এনে অৱস্থা কৰিছে? তেখেত (ছাঃ) য়ে উত্তৰ দিছিল যে উতবা বিন আবি উকাছ মোৰ মুখমণ্ডললৈ পাথৰ মাৰিছে। হজৰত হাতিবে কৈছে মই কৈছিলো যে মই এই শব্দ পাহাৰৰ ওপৰৰ পৰা শুনিছিলো যে মহম্মদ (ছাঃ) ক হত্যা কৰা হৈছে আৰু এই শব্দ শুনি মই এনেকুৱা অৱস্থাত ইয়াত আহিছো যে যেনিবা মোৰ দেহাত জীউ নাই। তাৰ পিছত হজৰত হাতিব উতবাৰ ফালে আগবাঢ়ি যায়, উতবা তেতিয়া লুকাইছিল যদিও হাতিব (ৰাঃ) য়ে তাক ধৃত কৰাত কৃতকাৰ্য্য হয় আৰু তৰোৱালেৰে উতবাৰ মূৰ কাটি লয় আকৌ তাৰ মূৰ আৰু বস্তুবাহানী লগতে ঘোঁৰা ধৰিলৈ নবী কৰিম (ছাঃ) ৰ কাষত লৈ আনে। তেতিয়া নবী কৰিম (ছাঃ) য়ে হাতিবৰ নিমিত্তে দোৱা কৰিছিল। আল্লাহ তোমাৰ ওপৰত সন্তুষ্ট হৈছে, আল্লাহ তোমাৰ ওপৰত সন্তুষ্ট হৈছে, দুইবাৰ কৈছিল।

হজৰত হাতিব বিন আবি বুলতাহ ৩০ হিজৰিত মদিনাত ৬৫ বছৰ বয়সত মৃত্যু বৰণ কৰিছে। হজৰত উচমান (ৰাঃ) য়ে তেখেতৰ নমাজে জানাজা পঢ়াইছিল। আঁজৰত (ছাঃ) য়ে হাতিব বিন আবি বুলতাহৰ হাতত এখন পত্ৰ মকোকছৰ বাদছাই মিছৰৰ নামত পঠাইছিল, যিজন কায়ছৰৰ তলতীয়া মিছৰ আৰু ইস্কেন্দ্ৰিয়াৰ বিচাৰ পাতি আছিল আৰু কায়ছৰৰ দৰে ঈছাই আছিল। তেওঁৰ আচল নাম আছিল জৰিজ বিন মিনা আৰু তেওঁৰ প্ৰজা সকল কুবতি সম্প্ৰদায়ৰ লোক আছিল।

উক্ত পত্ৰখনত বৰ্ণনা আছিল এয়া যে - মই আল্লাহৰ নামত আৰম্ভ কৰিছো, যি জন অযাচিত,পৰম কৰুণাময়, দানশীল আৰু বাৰে বাৰে দয়া কৰোঁতা, আৰু আমলৰ উত্তম ফল দান কৰোঁতা। এই পত্ৰ মহম্মদ (ছাঃ) খোদা তায়লাৰ বান্দা আৰু তাৰ ৰছুলৰ ফালৰ পৰা কুবতি সকলৰ নেতা মকোকছৰ নামত লিখা হৈছে। শান্তি বৰ্ষিত হওঁক সেইজন ব্যক্তিৰ ওপৰত যিজনে হিদায়েত গ্ৰহন কৰি লয়। তাৰ পিছত, মিছৰৰ বাদছাহ, মই আপোনাক ইছলামৰ হিদায়েতৰ ফালে আহ্বান কৰিছো, মুছলমান হৈ খোদা তায়লাৰ নিৰাপত্তা গ্ৰহন কৰি লোৱা, এতিয়া এয়াই এক মাত্ৰ মুক্তিৰ পথ, আল্লাহ তায়লা আপোনাক দুগুণ প্ৰতিদান দিব। কিন্তু যদি আপুনি ফালৰি কাটি যায় তেন্তে আপোনাৰ নিজৰ গোনাহৰ ওপৰিও কুবতি সকলৰ গোনাহৰ বোজা আপোনাৰ ডিঙিত পৰিব আৰু হে কিতাপৰ মান্যকাৰী সকল এই কলিমাৰ ফালে আহি যোৱা, যি তোমালোকৰ আৰু আমাৰ মাজত বিৰ্তক বৈ আছে। অৰ্থাৎ আমি খোদা তায়লাৰ বাহিৰে কোনোবাৰ উপাসনা নকৰো আৰু কোনো অৱস্থাতেই খোদা তায়লাৰ কোনো অংশীদাৰ নবনাওঁ আৰু খোদা তায়লাক এৰি নিজৰ ফালৰ পৰা কোনোবাজনক নিজৰ প্ৰয়োজন দুৰকৰ্ত্তা নবনাওঁ। আকৌ তথাপি যদি তেওঁলোকে ফালৰি কাটি যায় তেন্তে তেওঁলোকক জনাই দিয়া যে সাক্ষী থাকিবা, আমি মুঠতে একচ্ছত্ৰি খোদাৰ কৃতজ্ঞবান্দা।

মকোকছে পত্ৰখন পঢ়ি হাতিব বিন আবি বুলতাহক উদ্দেশ্য বিদ্ৰুপ ৰঙেৰে কৈছিল যে তোমালোকৰ চাহাব অৰ্থাৎ আঁহজৰত (ছাঃ) সচাঁকৈয়ে খোদা তায়লাৰ নবী তেন্তে এই পত্ৰ পঠোৱাৰ সলনি তেওঁ মোৰ বিৰুদ্ধে খোদা তায়লাৰ ওচৰত এই দোৱা কিয় কৰানাই যে খোদা তেওঁক মোৰ ওপৰত বিজয়ী বনাই দিয়ক। হাতিব (ৰাঃ) য়ে তেতিয়া উত্তৰ দিয়ে যে যদি তুমি এয়া ন্যায় সঙ্গত  আপত্তি দৰ্শাইছা তেন্তে এয়া গৈ হজৰত ঈছা (আঃ) ৰ ওপৰতও পৰে। তেওঁ নিজৰ বিৰুদ্ধবাদী সকলৰ বাবে এনেধৰণৰ দোৱা কিয় কৰা নাছিল? আকৌ হাতিব (ৰাঃ) য়ে মকোকছক নচিহত স্বৰূপে কৈছিল যে আপোনী নিগূঢ় ভাৱে চিন্তা কৰি চাওঁক কাৰণ ইয়াৰ আগতে এইখন দেশ মিছৰতে এনেকুৱা এজন ব্যক্তি অৰ্থাৎ ফিৰাউন আছিল, যিজনে এয়া দাবী কৰিছিল যে তেৱেঁই গোটেই বিশ্বৰ পালন কৰ্ত্তা আৰু সৰ্বোচ্চ বিচাৰ পতি। যাৰ ফলত খোদা তায়লা তাক এনেকুৱা গ্ৰেপ্তাৰত লৈছিল যে তেওঁ আগৰ আৰু পিছৰ জনগণৰ বাবে এটা দৃষ্টান্ত হৈ বৈ আছে। গতিকে মই আপোনাৰ তাত সত্য সহানুভূতিৰ সৈতে আবেদন কৰোঁ  যে আপুনি বেলেগৰ অৱস্থাৰ পৰা উদাহৰণ বুটলি লওঁক আৰু তেনেকুৱা হৈ নাযাওঁক যে বেলেগ মানুহে আপোনাৰ অৱস্থাক এটা দৃষ্টান্ত হিচাপে লয়। মকোকছে যেতিয়া দেখিছিল যে ইমান সাহসেৰে কথা কৈ আছে, সেয়ে তেওঁ কবলৈ ধৰিলে যে মুঠতে কথা হ'ল -আমি আগৰে পৰাই এটা ধৰ্ম পালন কৰি আছো গতিকে যেতিয়ালৈকে ইয়াতকৈ ভাল ধৰ্ম আমি নাপাওঁ, আমি ইয়াক এৰি নিদিওঁ অৰ্থাৎ সৃষ্ট ধৰ্ম এৰিব নোৱাৰো। হাতিব (ৰাঃ) য়ে

উত্তৰ দিয়ে যে ইছলাম হ'ল সেই দ্বীন যিয়ে অইন সকলো দ্বীনৰ পৰা পৃথক কৰি দিয়ে। এয়া শেষ আৰু চৰম দ্বীন। সকলো ধৰ্ম আহি ইয়াতে লগ লাগিছে। কিন্তু নিশ্চয় আপোনাক এই কথায় বাধা দিয়া নাই যে আপুনি হজৰত মছিহ নাছৰিৰ ওপৰত ঈমান স্থাপন কৰিছে বৰং তেওঁ সকলো সত্য নবীৰ ওপৰত ঈমান অনাৰ শিক্ষা দি থৈ গৈছে আৰু যেনেকৈ হজৰত মুছা (আঃ) য়ে হজৰত ঈছাৰ সুসংবাদ দি থৈ গৈছে। তেতিয়া মকোকছে অলপ চিন্তাত পৰি নিমাত হৈ গৈছিল। ইয়াৰ পিছত আন এটা বৈঠকত, যত ডাঙৰ ডাঙৰ পাদ্ৰী সকল উপস্থিত আছিল, মকোকছে আকৌ হাতিবক কৈছিল যে মই শুনিছো যে তোমালোকৰ নবীজনক ঘৰৰ পৰা খেদি দিয়া হৈছিল। তেখেতে ঘৰ এৰি যোৱাৰ সময়ত ঘৰৰ উলিৱাই দিওঁতা সকলক কিয় অভিশাপ দিয়া নাছিল। এই কথাশুনি হাতিব (ৰাঃ) য়ে উত্তৰ দিয়ে যে আপোনালোকৰ মছিহক ইহুদী সকলে দেখোন ধৰি আনি ক্ৰুছ বিদ্ধ কৰি মাৰিব বিচাৰিছিল কিন্তু তথাপিও তেওঁ নিজৰ বিৰুধী সকললৈ বেয়াদোৱা বা অভিশাপ দি ধংস কৰিব পৰা নাছিল। মকোকছে যেতিয়া এই উত্তৰ শনিছিল, বৰকৈ প্ৰভাৱিত হৈছিল আৰু কৈছিল যে তুমি নিঃসন্দেহে এজন প্ৰজ্ঞাবান লোক আৰু এজন প্ৰজ্ঞাবান মানুহৰ ফালৰ পৰা দুত হিচাপে আহিছা।

এই পত্ৰখনৰ পৰা প্ৰমাণিত হয় যে মকোকছ মিছৰ আঁহজৰত (ছাঃ) ৰ দুতৰ সৈতে সন্মানজনক আচৰণ কৰিছিল আৰু তেওঁ কিছুদিন লৈ আঁহজৰত (ছাঃ) ৰ দাবীৰ প্ৰতি বিশ্বাসীও আছিল কিন্তু তেওঁ ইছলাম গ্ৰহন কৰা নাছিল। যিখন পত্ৰ মকোকছলৈ লিখা হৈছিল, সেই সম্পৰ্কে হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে লিখিছে যে এইখন পত্ৰ হুবহু সেইখন পত্ৰৰ দৰে যিখন ৰুমৰ বাদছালৈ লিখা হৈছিল কেৱল ইখিনি পাৰ্থক্য যে তাত লিখা হৈছিল যে যদি তুমি মানি নোলোৱা তেন্তে ৰুমৰ প্ৰজা সকলৰ গোনাহৰ বোজা তোমাৰ ওপৰত পৰিব। সেইখন পত্ৰত লিখা হৈছিল কুবতি সকলৰ গোনাহৰ বোজা তোমাৰ ওপৰত পৰিব। হাতিব (ৰাঃ) য়ে যেতিয়া মিছৰত গৈ উপস্থিত হৈছিল তেতিয়া মকোকছ নিজৰ বিচাৰালয়ত নাছিল, তেওঁ ইস্কেন্দ্ৰিয়াত আছিল। হাতিব (ৰাঃ) য়ে ইস্কেন্দ্ৰিয়াত বাদছাহে সাগৰৰ পাৰত অনুষ্ঠিত কৰাএখন বৈঠকত গৈ উপস্থিত হৈছিল। যাৰ চাৰিওফালে চোকা পহৰা বৈ আছিল সেয়ে হাতিবে দুৰৰে পৰা পত্ৰ খন হাতেৰে ওপৰলৈ দাঙি লৈ মাত লগাইছিল, বাদছাহে আদেশ দিছিল যে সেই ব্যক্তি জনক মোৰ ওচৰলৈ আনা যাওঁক।

এই সকলেই আছিল বৰ সাহসৰ সৈতে আৰু বুদ্ধিৰে তবলিগৰ ফৰজ আদায় কৰা লোক। কোনো হাকিম অথবা বাদছাহ, সম্ৰাটৰ সনমুখত ভয় কৰা নাছিল। হজৰত হাতিব বিন আবি বুলতাহ মক্কা বিজয়ৰ আগত এখন চিঠিৰে মক্কাবাসীক আঁহজৰত (ছাঃ) য়ে মক্কালৈ যোৱাৰ খবৰ দিবলৈ চেষ্টা কৰিছিল। সেয়ে এনেকুৱা এখন পত্ৰ তেখেত মক্কালৈ যোৱা এজনী মহিলাৰ হাতত গতাই দিছিল. এই খবৰ আল্লাহ তায়লা আঁহজৰত (ছাঃ) ক জনাইছিল আৰু তেখেত (ছাঃ) য়ে হজৰত আলী (ৰাঃ) আৰু কিছুমান চাহাবাক তাৰ পিছানুসৰণ কৰিবলৈ পঠাইছিল। তেওঁলোকে গৈ সেই পত্ৰ মহিলাজনীৰ পৰা লৈ আনি হুযুৰ (ছাঃ) ক গতাই ধিছিল। আঁহজৰত (ছাঃ) য়ে যেতিয়া হাতিব (ৰাঃ) ক সুধিছিল যে এয়া কি ? তেতিয়া হাতিৰে উত্তৰ দিছিল যে মই এই কাম কোনো কাফিৰ অথবা মুনাফিকী হিচাপে কৰা নাই বৰং মোৰ আত্মীয় সকলৰ দয়াৰ প্ৰতিদান স্বৰূপে লিখিছো। আঁহজৰত (ছাঃ) য়ে কৈছিল যে তুমি সচাঁ কথা কৈছা; আৰু ক্ষমা কৰি দিছিল।

হজৰত আবু বক্কৰ (ৰাঃ) য়েও হজৰত হাতিব (ৰাঃ) ক মকোকছৰ ওচৰলৈ মিছৰ পঠাইছিল আৰু এটা চুক্তি নামা দি পঠাইছিল। যি হজৰত ওমৰ বিন (ৰাঃ) ৰ মিছৰ আক্ৰমন পৰ্যন্ত দুয়ো তৰফৰ মাজত এই শান্তি চুক্তি প্ৰতিৰ্ষ্ঠিত আছিল। হজৰত হাতিব (ৰাঃ) ৰ বিষয়ে উল্লেখ আছে যে হজৰত হাতিব বৰ সুন্দৰ সুঠাম আছিল। পাতল দাড়ি আৰু নতশিৰ আৰু মোটাআঙুলিৰ লোক আছিল।

ইয়াকুব বিন উতবা বৰ্ণনা কৰিছে যে হজৰত হাতিব বিন আবি বুলতাহ নিজৰ মৃত্যুৰ দিনলৈকে চাৰি হেজাৰ দেৰহাম আৰু ডিনাৰৰ মালিক স্বত্তও এৰি থৈ গৈছে। তেখেতৰ শস্য আদিও আছিল। তেখেতে নিজৰ এই সম্পত্তি মদিনাত এৰি গৈছে। হজৰত জাবিৰ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে এবাৰ হজৰত হাতিব (ৰাঃ) ৰ গোলাম আঁহজৰত (ছাঃ) ৰ ওচৰত হাতিবৰ বিৰুদ্ধে অভিযোগ লৈ আহে। গোলাম (দাস) জনে কৈছিল যে হে আল্লাহৰ ৰছুল; হাতিব নিশ্চয় জাহান্নমত প্ৰৱেশ কৰিব। হাতিবক এলেহুৱা বুলি কৈছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল যে তুমি মিছা মাতিছা, তেওঁ কেতিয়াও তেনে ধৰণৰ লোক নহয়। কাৰণ হাতিব বদৰৰ যুদ্ধ আৰু চুক্তি হুদায়বিয়াত অংশ গ্ৰহণ কৰিছিল।

এবাৰ হজৰত হাতিব (ৰাঃ) য়ে মদিনাৰ এখন বজাৰত শুকান আঙুৰ বজাৰ দামতকৈ কম দামত বিক্ৰিকৰি আছিল।

তেতিয়া হজৰত ওমৰ (ৰাঃ) সেই ফালেদি গৈ আছিল। তেতিয়া ওমৰ (ৰাঃ) য়ে হাতিবক আদেশ দিছিল যে আপুনি নিজৰ ঘৰত গৈ এই আঙুৰ বিক্রি কৰক। বজাৰত ইমান কম দাম এই আঙুৰ বিক্রি কৰিব নিদিওঁ। ইয়াৰ দ্বাৰা বজাৰৰ ভাও বেয়া হৈ যাব। ফিকাবিদ সকলে হজৰত ওমৰ (ৰাঃ) ৰ এই ৰায় কাৰ্যকৰী হিচাপে মানি লৈ লিখিছে যে ইছলামী চৰকাৰৰ উচিত যে তেওঁলোকে বজাৰ দামৰ এটা ৰেট বান্ধি দিয়ে।

চৰণীয় পথাৰ আৰু তাত পানীৰ বাবে নাদ খন্দাত দায়িত্ব হল ইছলামী চৰকাৰ। এবাৰ আঁহজৰত (ছাঃ) য়ে হজৰত হাতিব (ৰাঃ) ৰ জড়িয়তে এখন চৰণীয় পথাৰত নাদ খন্দাইছিল। সেয়ে ৰোৱায়েতও আছে যে বনুমুস্তালিকৰ যুদ্ধৰ পৰা ওভতি অহাৰ বাটত ৰছুলুল্লাহ (ছাঃ) য়ে নাফিয়া নামৰ ঠাই পাৰ হওঁতে তাত ডাঙৰ অঞ্চলএটা ঘাহ-বননি দেখা পাইছিল। তাত বহুত নাদও আছিল। মাটিখিনিৰ পানীও ভাল আছিল। আঁহজৰত (ছাঃ) য়ে সেই কূঁৱাৰ পানী সম্পৰ্কে সুধিছিল তেতিয়া সকলোৱে কৈছিল যে হে আল্লাহৰ ৰছুল পানী বৰ ভাল। কিন্তু আমি যেতিয়া এই কূৱাৰ ওচৰত প্ৰশংসা কৰিবলৈ লওঁ তেতিয়া ইয়াৰ পানী কমি যায় আৰু কূঁৱা বহি যায়। তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে হজৰত হাতিব বিন আবি বুলতাহকআদেশ দিছিল যে তেওঁ যেন এটা কুঁৱা খান্দে আৰু আঁহজৰত (ছাঃ) য়ে এই নাফিয়া অকল চৰণ তুমি বনোৱাৰ আদেশ দিছিল।

হজৰত হাতিব (ৰাঃ)ৰ চৰিত্ৰ সম্পৰ্কে ছিৰাতুল ছাহাবাৰ লিখকে লিখিছে যে হাতিব বৰ বিশ্বাসী ,দয়ালু,স্পষ্টবাদী লোক আছিল। জমাতৰ সদস্য আৰু আত্মীয় সকলৰ প্ৰতি বৰ দৃষ্টি ৰাখোঁতা আছিল মক্কা বিজয়ৰ প্ৰাক কালত তেখেত (ৰাঃ) যে মুশৰিকিন সকললৈ যি পত্ৰ লিখিছিল, সেয়া প্ৰকৃততে আত্মীয় সকলৰ প্ৰতি দৃষ্টি ৰখাৰ ফল স্বৰূপেই লিখিছিল। সেয়ে ৰছুলুল্লাহ (ছাঃ)য়ে এই নিয়ত (অভিপ্ৰায়) আৰু স্পষ্ট বাদীতাৰ প্ৰতি লক্ষ্য কৰি হাতিব (ৰাঃ) ক ক্ষমা কৰিছিল। আল্লাহ তায়লা আমাক সেই চাহাবা সকলৰ গুণাৱলী অৰ্জন কৰাৰ তৌফিক দান কৰক। আল্লাহ তায়লা তেখেত সকলৰ পৰলোকআৰু ইহলোকত মৰ্যদা উন্নীত কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 27 July 2018**

**(BOOK POST PáRINTED MATTER)**

**To**

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**